অসম জন-শিক্ষা অভিযানৰ কাৰণে
শ্ৰীকামাখ্যানাথ ঠাকুৰৰ দ্বাৰা
প্ৰকাশিত।

গুৱাহাটী জয়ন্তী আৰ্ট প্ৰেছত
শ্ৰীখগেন্দ্ৰনাথ দত্ত ভূঞাৰ দ্বাৰা
মুদ্ৰিত।

আসামৰ জন-শিক্ষা অভিযান

আসামৰ শাসন-প্ৰণালী

লিখক—

শ্ৰীকৃষ্ণপ্ৰসাদ বৰুৱা বি, এ,

সংশোধক —

শ্ৰীযুত লক্ষেশ্বৰ শৰ্ম্মা বৰুৱা বি, এ; বি, টি

হেড্‌মাষ্টৰ কটন কলেজিয়েট হাইস্কুল

গুৱাহাটী।

১৯৪১ চন।

ZON HALL LIBRARY
15 NOV 1941

সূচী ।

		পিঠি
১ ।	আগ-কথা	১
২ ।	ভাৰতৰ শাসন-প্ৰণালী	২
৩ ।	বৰলাটৰ কাৰ্য্যনিৰ্ব্বাহক সভা	৪
৪ ।	ভাৰতৰ আইন সভা	৫
৫ ।	আসামৰ শাসন-প্ৰণালী	৬
৬ ।	গৱৰ্ণৰ আৰু গৱৰ্ণৰৰ ক্ষমতা	৭
৭ ।	মন্ত্ৰীসভা	৯
৮ ।	আইন সভা	১০
৯ ।	আসামৰ আয়-ব্যয়	১৩
১০ ।	বিষয়া ..	১৬
১১ ।	বিচাৰ বিভাগ	১৬
১২ ।	জিলাৰ শাসন-কাৰ্য্য . .	১৭
১৩ ।	স্থানীয় স্বায়ত্ত শাসন	১৯

আসামৰ শাসন প্ৰণালী

১। আগ-কথা

আসাম ভাৰতবৰ্ষ দেশৰ এখন প্ৰদেশ। ভাৰতবৰ্ষত আসামৰ নিচিনা আৰু বহুত প্ৰদেশ আছে। বঙ্গদেশ, বিহাৰ মাদ্ৰাজ, বোম্বাই, পঞ্জাব আদি মুঠ এঘাৰখন ভাৰতৰ প্ৰদেশ। ভাৰতবৰ্ষ এখন ডাঙৰ দেশ। ইয়াক ইংৰাজ চৰকাৰে শাসন কৰে। বিলাতৰ ৰজা ষষ্ঠ জৰ্জ আৰু তেওঁৰ ৰাণী কুইন এলিজাবেথ ভাৰতৰ সম্ৰাট আৰু সম্ৰাজ্ঞী। তিনি শ বছৰৰো আগতেই ভাৰতবৰ্ষলৈ ইংৰাজ বেপাৰীবিলাকে বেহা-বেপাৰ কৰিবলৈ আহিছিল। সেই সময়ত ভাৰতবৰ্ষ বৰ চহকী দেশ বুলি আন দেশবিলাকে গম পাইছিল। এই বেপাৰী ইংৰাজ সকলে প্ৰথমে কোম্পানী খুলি ভাৰতত বেহা-বেপাৰ কৰিছিল। তাৰ পাচত তেওঁলোকে ৰাজ্য দখল কৰাত লাগিল। বেহা-

বেপাৰৰ ঠাইবিলাক ৰক্ষা কৰিবলৈ তেওঁলোকে সৈন্যও আনিছিল। লাহে লাহে সৈন্যৰ সহায়েৰে কোম্পানীয়ে ভাৰতবৰ্ষৰ প্ৰায় বেচিভাগ ঠাই অধিকাৰ কৰিলে। কোম্পানীৰ হাতৰপৰা পাচত এই দেশৰ ৰাজ্যভাৰ বিলাতৰ তেতিয়াৰ ৰাণী ভিক্টোৰীয়াৰ হাতলৈ যায়। তেতিয়াৰেপৰা ভাৰতৰ শাসন-বিধি দিনে দিনে উন্নত হৈ আহিছে। সাধাৰণ ৰাইজে ক্ৰমে শাসন-কাৰ্য্যৰ ভাগ লবলৈ সুবিধা পাইছে।

২। ভাৰতৰ শাসন-প্ৰণালী

বিষয়াসকল

ভাৰত-মন্ত্ৰী:—ভাৰতীয় শাসনৰ ঘাই গুৰিয়াল হৈছে ভাৰত-মন্ত্ৰী। এখেত বিলাতত থাকে। বিলাতৰ পাৰ্লিয়ামেণ্ট মহাসভাই কৰি দিয়া ভাৰতৰ শাসন-নীতি এখেতে সুচাৰুকৈ চলাব লাগে। এখেত পাৰ্লিয়ামেণ্ট মহাসভাৰো এজন সভ্য। ভাৰতৰ শাসনৰ কাৰণে এখেত পাৰ্লিয়ামেণ্ট মহাসভাৰ ওচৰত দায়ী। ভাৰতৰ শাসন ভালকৈ চলাব নোৱাৰিলে ভাৰত-মন্ত্ৰীয়ে কাম এৰি দিব লগীয়া হয়। এখেতৰ দৰমহা বিলাতৰ ৰাজ

ভড়ালৰপৰা দিয়া হয়। ভাৰতৰ শাসনৰ কামত সহায় কৰিবলৈ ভাৰত-মন্ত্ৰীৰ লগত দুজন সহকাৰী আৰু কেইজনমান উপদেশক আছে। উপদেশকসকলৰ উপদেশ ভাৰত-মন্ত্ৰীয়ে সদায় শুনিবলৈ বাধ্য নহয়।

হাই কমিছনাৰ :- ভাৰত শাসনৰ সুবিধাৰ কাৰণে আৰু এজন বিষয়া বিলাতত আছে। তেখেতক হাই কমিছনাৰ বোলে। তেখেতে বিলাতত ভাৰতীয় চৰকাৰৰ দৰকাৰী মাল কিনে, বিলাতলৈ যোৱা ভাৰতীয় ছাত্ৰসকলৰ সুবিধাৰ কাৰণে চায় আৰু বিলাতলৈ ছুটী লৈ যোৱা ভাৰতৰ চৰকাৰী বিষয়া বিলাকৰ বেতন আৰু ছুটী দিয়া কাম কৰে।

গৱৰ্ণৰ জেনেৰেল বা বৰলাট :—গৱৰ্ণৰ জেনেৰেল বা বৰলাটে ভাৰতৰ শাসন চলায়। তেখেতে দেশীয় ৰজাসকলৰ শাসন-কাৰ্য্য আদি সম্ৰাটৰ হৈ চায়। তেখেতৰ শাসন কাল মাত্ৰ পাঁচ বছৰ। পাচে, দৰকাৰ হোৱাত এতিয়াৰ বৰলাট লৰ্ড লিনলিথগ'ৰ শাসনৰ কাল বঢ়াই দিয়া হৈছে। বৰলাট বাহাদুৰে বছৰি ২,৪০,৮০০৲ টকা দৰমহা পায়।

৩। বৰলাটৰ কাৰ্য্যনিৰ্ব্বাহক সভা

বৰলাট বাহাদুৰক শাসন-কাৰ্য্যত সহায় কৰিবলৈ এখন কাৰ্য্য-নিৰ্ব্বাহক সভা আছে। বৰলাট নিজে এই সভাৰ সভাপতি। এই সভাৰ সভ্য আঠজন। ইয়াৰ কাৰ্য্যকাল পাঁচ বছৰ। বৰলাটে সাধাৰণতে তেখেতৰ সভাৰ বেছিভাগ সভ্যৰ মত লৈ কাম কৰে। পাচে, দেশ নিৰাপদে শান্তিত ৰাখিবলৈ আৰু কোনো বিষয়ত ক্ষতি নহবলৈ, বৰলাটে নিজ খুচিত কাম কৰিব পাৰে। এই সভ্যবিলাকক সম্ৰাটে নিয়োগ কৰে।

৪। ভাৰতৰ আইন সভা

ভাৰতৰ আইন সভা দুখন। এখন হৈছে উচ্চ (ওখ) পৰিষদ আৰু ইখন হৈছে নিম্ন (তল) পৰিষদ।

উচ্চ বা ওখ পৰিষদ:—ওখ পৰিষদৰ মুঠ সভ্য ষাঠি জন। সেই পৰিষদৰ সভ্যবিলাক ধনী আৰু ওখ থাপৰ মানুহ। ওখ পৰিষদৰ কাৰ্য্য কাল পাঁচ বছৰ। বৰলাটে মন গলে

ইয়াৰ দিন বঢ়াব বা কমাব পাৰে। ওখ পৰিষদৰ সভ্যসকলৰ ভিতৰত যেই সেই এজনক বৰলাটে সেই সভাৰ সভাপতি পাতিব পাৰে। ভাৰতৰ এই সভালৈ অসমৰপৰা মুঠতে এজন সভ্য ভোট দি বাছি পঠিওৱা হয়।

নিম্ন বা তল পৰিষদ:—এই পৰিষদৰ মুঠ সভ্য ১৪৪ জন। আসামৰপৰা এই পৰিষদলৈ ভোটত উঠা মুঠ ৪ চাৰিজন সভ্য যাব পাৰে। তল পৰিষদত এজন সভাপতি আৰু এজন সহকাৰী সভাপতি আছে। সভাপতিয়ে তল পৰিষদৰ মান ৰাখি সকলো কামকে চলায়। তল পৰিষদৰ কাৰ্য্যকাল সাধাৰণতে তিনি বছৰ। বৰলাটে এতিয়া এই সভাৰ কাৰ্য্যকাল বঢ়াই দিছে।

আইন কৰা বিষয়ত ভাৰতৰ দুয়োখন আইন সভাই গ্ৰহণ কৰা আইনো বৰলাটে দৰকাৰ হলে গ্ৰহণ নকৰিব পাৰে। বৰলাট বাহাদুৰে কৰ-কাটল কম-বেচি কৰিবলৈ আইন সভাৰ মত নোলোৱাকৈয়ো নিজ ক্ষমতাৰে কৰি লব পাৰে। বৰলাটে দৰকাৰ হলে ভাৰতক শান্তিৰে আৰু নিৰাপদে ৰাখিবলৈ নিজেই যিমান লাগে সিমান টকা মঞ্জুৰ কৰি লব পাৰে। বৰলাট বাহাদুৰে দেশ আৰু খৃষ্টান ধৰ্ম্ম ৰক্ষাৰ কাৰণে আৰু বৈদেশিক বিষয়ত লগা খৰচ নিজে ঠিক কৰি লয়। বিশেষ আইনৰ দৰকাৰ হলেও এখেতে নিজে কৰি লব পাৰে।

৫। আসামৰ শাসন-প্ৰণালী

যোৱা ১৯৩৫ চনত ইংলণ্ডৰ পাৰ্লেমেণ্টে মহাসভাই নতুনকৈ এখন ভাৰত-শাসন আইন পাছ কৰিছে। এই আইনৰ দ্বাৰাই ভাৰতৰ প্ৰদেশবোৰক কিছু উন্নত ধৰণৰ শাসন প্ৰণালী দিয়া হৈছে। এই আইনৰ বলত প্ৰদেশবিলাকক প্ৰাদেশিক স্বায়ত্ত শাসন দিয়া হৈছে। প্ৰাদেশিক স্বায়ত্ত শাসনৰ অৰ্থ হৈছে যে ৰাইজৰ যিসকল প্ৰতিনিধিয়ে প্ৰাদেশিক আইন সভালৈ মেম্বৰ নিৰ্ব্বাচিত হৈ যাব, সেই মেম্বৰসকলৰ ওচৰত প্ৰাদেশিক গৱৰ্ণমেণ্ট দায়ী। অৱশ্যে প্ৰদেশবিলাকতো গৱৰ্ণৰে কিছু ক্ষমতা নিজে স্বইচ্ছাই ব্যৱহাৰ কৰিব পৰাকৈ ৰাখিছে। কিন্তু তথাপিও প্ৰদেশৰ শাসনৰ বাবে এতিয়া গৱৰ্ণমেণ্ট ৰাইজৰ প্ৰতিনিধিসকলৰ ওচৰত দায়ী। এতিয়া গৱৰ্ণমেণ্ট বুলিলে গৱৰ্ণৰ আৰু তেওঁৰ মন্ত্ৰীসকলকহে বুজায়। আচলতে এতিয়া ৰাইজৰ প্ৰতিনিধিসকলেই দেশ শাসন কৰে। কাৰণ মন্ত্ৰী-সকল নিৰ্ব্বাচিত হয় আইনসভাৰ সভ্যসকলৰ মাজৰ পৰাহে; বাহিৰা মানুহক মন্ত্ৰী নিয়োগ কৰিব নোৱাৰে। ইয়াৰ বাহিৰেও মন্ত্ৰী-সভাই আইনসভাৰ অধিক সংখ্যক মেম্বৰৰ আস্থাভাজন হ'ব লাগিব। তেনে নহ'লে মন্ত্ৰীসকল মন্ত্ৰীপদত থাকিব নোৱাৰে।

এতিয়া প্ৰাদেশিক গৱৰ্ণমেণ্টৰ কোনো চৰকাৰী বিষয়া বা গৱৰ্ণৰৰ হাতত নাই। সকলো বিভাগৰেই ভাৰ ৰাইজৰ

প্ৰতিনিধিৰে গঠিত গৱৰ্ণমেণ্টৰ (মন্ত্ৰীসভা) ওপৰত দিয়া হৈছে।

আসামৰ দৰে ভাৰতত মুঠ এঘাৰ খন প্ৰদেশ আছে। এই প্ৰদেশবিলাকক নিজে শাসন কৰিব পৰা ক্ষমতা দিয়া হৈছে। আন আন প্ৰদেশৰ দৰে আসামেও প্ৰদেশৰ বিষয়বোৰ নিজে চলাবলৈ পাইছে।

৬। গৱৰ্ণৰ আৰু গৱৰ্ণৰৰ ক্ষমতা

গৱৰ্ণৰ প্ৰাদেশিক শাসনৰ অধিপতি। সম্ৰাটে বৰলাটৰ পৰামৰ্শ মতে আসামৰ গৱৰ্ণৰ নিয়োগ কৰে। আসামৰ শাসনত গৱৰ্ণৰৰ বহুত স্বকীয়া ক্ষমতা আছে। জৰুৰী আইন কৰিব পৰা আৰু কোনো বিষয়ে ঘোষণা কৰিব পৰা ক্ষমতাও গৱৰ্ণৰৰ আছে। গৱৰ্ণৰে প্ৰয়োজন কাৰণে জৰুৰী আইনো কৰিব পাৰে। আসাম চৰকাৰক আইনৰ বিষয়ে পৰামৰ্শ দিবলৈ গৱৰ্ণৰে এজন বিষয়া নিয়োগ কৰে। তেওঁক এড্‌ভোকেট জেনেৰেল বোলা হয়।

কেতিয়াবা সাধাৰণ আইন মতে শাসন-কাৰ্য্য নচলা হলে গৱৰ্ণৰে ঘোষণা পত্ৰৰ সহায়েৰে শাসন ভাৰ নিজৰ হাতলৈ আনিব পাৰে। এই ঘোষণাৰ ক্ষমতা প্ৰয়োজনলৈ থাকে। বিলাতৰ

পাৰ্লিয়ামেণ্ট মহাসভাৰ অনুমতি পালে এই ঘোষণাৰ ক্ষমতা তিনি বছৰলৈকে থাকিব পাৰে। ভাৰতৰ আন আন প্ৰদেশত কংগ্ৰেছ মন্ত্ৰীসকলে তেওঁলোকৰ মন্ত্ৰীপদ এৰি দিয়াত সেই প্ৰদেশবিলাকত গৱৰ্ণৰসকলে এনে ঘোষণা প্ৰচাৰ কৰি গোটেই শাসনভাৰ নিজ নিজ হাতলৈ আনিছে। এইদৰে তিনি বছৰলৈকে, যদি দৰকাৰ হয়, মন্ত্ৰী নোহোৱাকৈয়ে গৱৰ্ণৰসকলে শাসন কৰিব পাৰিব। আসামত কংগ্ৰেছ মন্ত্ৰীসকলে মন্ত্ৰীৰ পদ এৰি দিয়াতো ইয়াত গৱৰ্ণৰৰ ঘোষণা পত্ৰ চলোৱাৰ দৰকাৰ নহল। কাৰণ, মাননীয় চাৰ চাদুল্লা চাহাবে নতুন মন্ত্ৰীসভা পাতিবলৈ সক্ষম হৈছে। বাকী কংগ্ৰেছ শাসিত প্ৰদেশবোৰত কংগ্ৰেছ দলৰ বাহিৰে আন কোনো দলৰ সংখ্যা অধিক নাই।

ওপৰত কোৱা ক্ষমতাৰ উপৰিও গৱৰ্ণৰৰ শাসন-কাৰ্য্যত কিছুমান বিশেষ দায়িত্ব আছে।:—

১। গৱৰ্ণৰে প্ৰদেশৰ শান্তি বা শৃঙ্খলা হানি হোৱা দেখিলে, নিজ ক্ষমতাৰে তাৰ প্ৰতিকাৰ কৰিব পাৰে।

২। সংখ্যা কম সম্প্ৰদায়বিলাকৰ হক ৰক্ষা কৰিব লগা হয়।

৩। চৰকাৰী বিষয়াবিলাকৰ অধিকাৰ আৰু তেওঁলোকৰ হক ৰক্ষা কৰিব লগা হয়।

৪। তেখেতে প্ৰদেশৰ শাসন সংস্কাৰৰ বাহিৰা ঠাইবিলাকত সুশাসন আৰু শান্তিৰ ব্যৱস্থা কৰিব লাগে। আসা-

মৰ এনে শাসন সংস্কাৰৰ বাহিৰা ঠাই হৈছে উত্তৰপূব সীমান্ত জিলা, নগাপাহাৰ, লুচাইপাহাৰ আৰু উত্তৰ কাছাৰ। গাৰো-পাহাৰ, মিকিৰপাহাৰ, চিলং আৰু চিলঙৰ চিপাহী থকা ঠাই বাদ কৰি ইংৰাজৰ দখলত থকা খাচীয়া জয়ন্তীয়া পাহাৰ হৈছে কেইখনমান আংশিক বাহিৰা ঠাই। এই শাসন-সংস্কাৰ বাহিৰা আৰু আংশিক বাহিৰা ঠাইবিলাক গৱৰ্ণৰে শাসন কৰে। তাত মন্ত্ৰীসকলৰ হাত নাই।

এইবিলাকৰ উপৰিও গৱৰ্ণৰে দেশীয় ৰজাৰ অধিকাৰ ৰক্ষা কৰে আৰু বৰলাটৰ হুকুম মানি চলিব লাগে। এই বিশেষ দায়িত্বৰ উপৰিও গৱৰ্ণৰৰ দেশত উৎপাত আৰু অশান্তি দমন কৰিবলৈকো ক্ষমতা আছে।

৭। মন্ত্ৰী-সভা

আসামত এখন মন্ত্ৰী-সভা আছে। এই মন্ত্ৰী-সভাৰ নেতা হৈছে প্ৰধানমন্ত্ৰী। প্ৰধানমন্ত্ৰীৰ কথামতেই বাকী কিজন মন্ত্ৰীয়ে কাম কৰে। আটাইকেইজন মন্ত্ৰী আসামৰ আইন সভাৰ সভ্য। প্ৰধানমন্ত্ৰী আৰু তেখেতৰ লগৰীয়া আন আন মন্ত্ৰীসকলে তেওঁলোকৰ কাৰ্য্যত তলৰখন আইন সভাৰ সৰহভাগ সভ্যৰে সমৰ্থন পাব লাগে। মন্ত্ৰীসকলৰ কাৰ্য্য-

কল্পাপত তলৰখন আইন সভাৰ সভ্যসকলে যেয়া পাই মন্ত্ৰী-সভাৰ ওপৰত বিশ্বাস নাই বুলি প্ৰস্তাৱ পাছ কৰিলে আটাই-কেউজন মন্ত্ৰীয়ে কাম এৰি দিব লগীয়া হয়। আগতে এই-দৰে পদ এৰি দিবলগা নহলে মন্ত্ৰীসকলে পাঁচ বছৰলৈকে মন্ত্ৰী-পদত থাকিব পাৰে। গৱৰ্ণৰে প্ৰধান মন্ত্ৰীজনক বাছি দিয়ে আৰু প্ৰধানমন্ত্ৰীয়ে আন আন মন্ত্ৰীসকলক বাছি লয়। মন্ত্ৰীসকলৰ দৰমহা আইন সভাই ঠিক কৰি দিয়ে। মন্ত্ৰীসকলৰ দায়িত্ব যুটীয়া।

৮। আইন সভা

আসামত আইনসভা দুখন। ওপৰৰখনক ব্যৱস্থাপক সভা আৰু তলৰখনক ব্যৱস্থাপৰিষদ বোলা হয়। ব্যৱস্থাপক সভা-খন চিৰকলীয়া হৈ থাকে। মাথোন প্ৰতি তিনি বছৰে সভ্য-বিলাকৰ তিনিভাগৰ এভাগে অৱসৰ লয় আৰু নতুনকৈ ভোট দি মানুহ বাছি সেই আসনবিলাক পূৰোৱা হয়। আসাম ব্যৱস্থাপক সভাত ২১ জনতকৈ কম আৰু ২২ জনতকৈ বেছি সভ্য থাকিব নোৱাৰে। এই ব্যৱস্থাপক সভাৰ সভ্য বাছিবলৈ ভোট দিবৰ লোকসকলৰ তলত দিয়া যেই সেই এটা গুণ থাকিব লাগিব।

১। ভোট দিয়া লোকে ৩,০০০৲ তিনিহেজাৰ টকাৰ উপাৰ্জনৰ পৰত আয়কৰ দিয়া হব লাগিব।

২। ৫০০৲ পাঁচ শ টকা বা তাতকৈ বেছি মাটিৰ খাজনা দিয়া হব লাগিব।

৩। খান বাহাদুৰ বা তাতকৈ ওখ খাপৰ খিতাপ পোৱা হব লাগিব।

৪। লোকেল বোৰ্ডৰ বা কেন্দ্ৰীয় সমবায় বেঙ্কৰ বা মিউনিচিপেলটিৰ চেয়াৰমেন হব লাগিব। ইত্যাদি আন আন গুণ তেওঁৰ থাকিব লাগিব। ব্যৱস্থাপক সভাত এজন সভাপতি আৰু এজন সহকাৰী সভাপতি থাকে।

ব্যৱস্থা পৰিষদ:—আসামৰ ব্যৱস্থা পৰিষদত মুঠতে এশ আঠজন সভ্য আছে। তাৰে ভিতৰত সাতচল্লিশ জন সাধাৰণ (সকলো বৰ্ণৰ হিন্দু) আৰু চৌত্ৰিশ জন মুছলমান সভ্য আছে। এই পৰিষদত উপজাতিৰ, চাহাবৰ, ভাৰতীয় খৃষ্টিয়ান সকলৰ বেহা-বেপাৰ কৰা লোকৰ, চাহ খেতিয়কৰ, বনুৱাবিলাকৰ আৰু সাধাৰণ (সকলো বৰ্ণৰ) মহিলাসকলৰ প্ৰতিনিধি আছে। পৰিষদৰ সভ্যবিলাক বাছিবলৈ ভোট দিয়া লোকৰ তলত দিয়া যেই সেই এটা গুণ থাকিব লাগিব।

১। তেওঁ আয়কৰ দিয়া মানুহ হব লাগিব বা বছৰি সাত টকা আঠ অনা মাটিৰ খাজনা দিয়া হব লাগিব।

২। তেওঁ বছৰি সাধাৰণতে ছটকা মিউনিচিপেল কৰ দিয়া হব লাগিব।

৩। তেওঁ মজলীয়া পঢ়াশালিৰ পৰীক্ষা পাছ কৰা হব লাগিব। এইবিলাক গুণ থাকিলে মাইকী মানুহেও ভোট দিব পাৰিব।

ব্যৱস্থা পৰিষদৰ সভ্যবিলাকৰপৰা এজন সভাপতি আৰু এজন সহকাৰী সভাপতি বাছি লোৱা হয়। এই সভাপতিয়ে পৰিষদখন নিয়ম মতে চলায়। তেখেতৰ বেতন আইন সভাই ঠিক কৰি দিয়ে। এই সভাৰ কাৰ্য্যকাল পাঁচ বছৰ।

এই দুয়োখন আইন সভাই যি আইন গ্ৰহণ কৰে তাক গৱৰ্ণৰে সমৰ্থন কৰিলেহে সি আইন হয়। গৱৰ্ণৰে কোনো কোনো আইনত সম্মতি নিদিবও পাৰে, কিন্তু নিদিয়াকৈ প্ৰায়েই নেথাকে। বছৰৰ আদিতে সেই বছৰৰ চৰকাৰৰ আয় আৰু খৰচৰ হিচাপ কৰি এখন হিচাপ আইন সভা দুয়োখনৰ আগতে সমৰ্থন পাবলৈ দাঙি ধৰা হয়। এই হিচাপখনকে বাজেট বুলি কয়।

আসামৰ আয় ব্যয়

আসামে তলত দিয়া বিষয় কেইটাৰপৰা আয় কৰিব পাৰে। (১) মাটিৰ খাজনা, (২) আবকাৰী বিভাগৰ কৰ, (৩) আদালতৰ টিকটৰ মাচুল, (৪) বন বিভাগৰ কৰ, (৫) ৰেজিষ্ট্ৰেছনৰ মাচুল, (৬) আমোদ কৰ আৰু (৭) কৃষি কৰ, ইত্যাদি।

১। **মাটিৰ খাজানা :**—আসাম চৰকাৰে আয় কৰা বিষয়বিলাকৰ ভিতৰত মাটিৰ খাজানা লেখত লব লগীয়া। আসামত ১৯৩৫-৩৬ চনত মুঠ ১২৫ এশ পচিশ লাখ টকা মাটিৰ খাজানাৰপৰাই উঠিছিল। পাচে, আসাম চৰকাৰে মাটিৰ খাজানা কমাই দিয়াত মাটিৰ খাজনাৰপৰা উঠা ৰাজহো কমি গৈছে। আমাৰ ইয়াত বৰ্ত্তমান মন্ত্ৰীসভাই এতিয়া ষোল টকা বা তাতকৈ কম খাজানা দিয়া লোকসকলক টকাত আঠ অনাকৈ আৰু ষোল টকাতকৈ বেছি খাজানা দিয়া লোকক টকাত ।৹ অনাৰ পৰা ।/৹ অনাকৈ ৰেহাই দিছে।

২। **আবকাৰী বিভাগৰ আয় :**—এই বিভাগে কানি, ভাং, মদ আদি ৰাগীয়াল বস্তুৰ দোকানবোৰ ডাক কৰে। এইদৰেই চৰকাৰে বহুত টকা পায়। আসাম চৰকাৰে প্ৰথমতে ডিব্ৰুগড় আৰু শিৱসাগৰ মহকুমাত কানি গুচায়। বৰ্ত্তমানে আসাম চৰকাৰে এই কানি সৰবিহ গোটেই আসামৰপৰা

গুচাবলৈ যতন কৰিছে। আসামৰ চৰকাৰে কানি, ভাং, মদ আদি এই বিভাগৰ সকলো ৰাগীয়াল বস্তুৰপৰা প্ৰায় ৩৫ পঁয়ত্ৰিশ লাখ টকা পায়। পাচে, এতিয়া এই টকা কানি নাইকিয়া হোৱাৰ লগে লগে ভালেমান কমিব।

৩। **আদালতৰ টিকটৰ মাচুল**:—আদালতত গোচৰ কৰিব খুজিলে মাচুল দিব লাগে। আদালতৰ টিকটৰ মাচুল মানে গোচৰৰ চৰকাৰী খৰচকে বুজায়। ১৯৩৫-৩৬ চনত আসাম চৰকাৰে ইয়াৰপৰা সোতৰ লাখ টকা পাইছিল।

৪। **বন বিভাগৰ আয়**:—বন বিভাগৰপৰাও চৰকাৰে আয় কৰে। ১৯৩৫-৩৬ চনত আসাম চৰকাৰে ইয়াৰপৰা চৈধ্য লাখ টকা তুলিছিল। হাবিবিলাকৰ নানা ৰকমৰ মূল্যৱান কাঠৰ কৰৰপৰা চৰকাৰে বহুত টকা উলিয়ায়।

৫। **ৰেজিষ্ট্ৰেছন মাচুল**:—ভূমি সম্পত্তি এজনে আন এজনক দিব লাগিলে এই ফিজ দিব লাগে। ইয়াৰপৰাও চৰকাৰে টকা পায়।

৬। **আমোদ কৰ**:—আমোদ কৰ মানে কোনো খেল ধেমালিৰ ওপৰত বহুৱা কৰ। আসাম চৰকাৰে এই কৰ কিছুদিনৰ আগৰপৰা বহুৱাইছে।

এই কৰৰ ভিতৰত বায়স্কোপ, খেল-ধেমালি নাটাৰী আদি প্ৰধান।

৭। **কৃষিকৰ**:—খেতি কৰি যি আয় হয় সেই আয়ৰ অনুপাতে এই কৰ বহুৱা হয়। এই কৰ বেছিকৈ চাহ

বাগিচাৰ গৰাকী আৰু জমিদাৰসকলৰ ওপৰত পৰে। আসামৰ কাংগ্ৰেছ চৰকাৰে এই কৰ আসামত বহুৱাই থৈ গৈছে। আজিও ই চলি আছে।

ওপৰত কোৱা আয়ৰ উপৰিও আসামে ভাৰত চৰকাৰৰপৰা তিনিটা উপায়েৰে টকা পাইছে। আসামে মৰাপাটৰ খেতি কৰে। মৰাপাট বিদেশলৈ পঠিয়াওঁতে যি কৰ ভাৰত চৰকাৰে লয় তাৰ ভাগ এটা আসামক দিয়ে। টনকমটেক্সৰপৰা আদায় হোৱা কৰৰো এটা অংশ পায়। আসাম চৰকাৰৰ ভাৰত চৰকাৰৰ ওপৰত থকা ধাৰবিলাক ভাৰত চৰকাৰে মাফ দিছে ইয়াৰ পাচত আসামক ভাৰত চৰকাৰে বছৰি প্ৰায় ৪৫৲ পঞ্চল্লিশ লাখ নগদ টকা সাহায্য স্বৰূপে দিছে।

আসামৰ খৰচৰ ভাগবিলাকৰ ভিতৰত পুলিচ, সাধাৰণ শাসন, শিক্ষা, কাৰিকৰী কাম, বেহা-বেপাৰ, চিকিৎসালয়, কৃষি বন-বিভাগ আদিয়েই প্ৰধান।

আসামৰ চৰকাৰী বিষয়াসকল

প্ৰাদেশিক কামৰ বিষয়াসকলক প্ৰাদেশিক চৰকাৰে নিয়োগ কৰে। বিষয়া নিৰ্ব্বাচন কৰিবলৈ আৰু তেওঁলোকৰ অভিযোগ আদি শুনিবলৈ আসামত এখন সভা আছে। সেই সভাৰ নাম 'পাব্লিক চাৰ্ভিছ কমিছন'। তাৰ সভা সভাপতিকে ধৰি চাৰিজন। এই সভ্যবিলাকক গৱৰ্ণৰে নিয়োগ কৰে। এই কমিছনে পৰীক্ষা কৰি বিষয়া বাছি লয়।

১০। বিচাৰ বিভাগ

আসামত আন প্ৰদেশৰ দৰে হাইকৰ্ট বা উচ্চ আদালত নাই। আসামত জজকোৰ্টহে আছে। আসামৰ বিচাৰ বিভাগ কলিকতা হাইকোৰ্টৰ তলত। কলিকতা হাইকোৰ্টে আসামৰ আদালতবিলাক পৰিদৰ্শন আৰু পৰিচালনা কৰে। হাইকোৰ্টৰ ওপৰত ভাৰতৰ আটাইতকৈ ওখ থাপৰ বিচাৰালয় দিল্লীত আছে।

জিলাৰ জজ, চৱজজ, মুন্‌চিফ উচ্চ আদালতৰ তলত।

জিলাৰ জজে, ফৌজদাৰী আৰু দেৱানী আদালতৰ ৰায়ৰ বিপক্ষে আপীল লয়। মূলগোচৰবিলাকৰ বিচাৰ জিলাজজৰ তলত থকা আদালতবিলাকত হয়।

১২। জিলাৰ শাসন-কাৰ্য্য

আসামত মুঠতে তেৰখন জিলা আছে। সেইবিলাকৰ নাম শিৱসাগৰ জিলা, কামৰূপ জিলা, লক্ষীমপুৰ জিলা, নগাঁও জিলা, দৰং জিলা, গোৱালপাৰা জিলা, খাছীয়া জয়ন্তীয়া পাহাৰ উত্তৰপূব সীমান্ত জিলা, নগা পাহাৰ, গাৰোপাহাৰ, কাচাৰ জিলা, লুচাই পাহাৰ আৰু ছিলেট জিলা। কেইবাখনো জিলা গোট খাই একোটা উপত্যকা হয়। এনেকুৱা উপত্যকা আসামত দুখন। এখন কৈছে আসাম উপত্যকা আৰু আনখন হৈছে সুৰমা উপত্যকা। জিলাবিলাকৰ কাম কাজ বিলাক মন কৰিবলৈ আসামত এজিয়া একন বিষয়া আছে। তেখেতক কমিছনাৰ বোলে।

জিলাৰ গৰাকীক ডেপুটী কমিছনাৰ বোলা হয়। জিলাৰ শাসনৰ ভাৰ তেখেতৰ ওপৰত। তেখেত, ইয়াৰ উপৰিও খাজানা তোলাৰ ঘাই বিষয়া। তেখেতে খাজানা ঠিকমতে

উঠিছে সে নাই তাক চায়। ফৌজদাৰী মোকৰ্দ্দমাও তেখেতে বিচাৰ কৰিব পাৰে। চৰজজৰ ক্ষমতাৰে তেখেতে দেৱানী গোচৰো শুধিব পাৰে।

আসামৰ পুলিচ বিভাগ, ইনিস্পেক্টৰ পুলিচ জেনাৰেলৰ তলত আছে। এই বিষয়াজন চিলঙত থাকে। জিলাইপ্ৰতি একোজন পুলিচ চুপাৰিণ্টেণ্ডেণ্ট বিষয়া থাকে। জিলাৰ পুলিচ এখেতৰ তলত। শান্তি ৰক্ষাৰ কাৰণে প্ৰতিজিলাক কিছুমান থানাত ভাগ কৰা হৈছে। থানাই প্ৰতি একোজন দাৰোগা থাকে।

প্ৰতি প্ৰথমিক শিক্ষা বিভাগ শিক্ষা, জেল, সাধাৰণ স্বাস্থ্য কৃষি বিভাগ আদিৰ কাম চলাবলৈ একোজন প্ৰধান বিষয়া প্ৰতি বিভাগতে থাকে। যেনে স্বাস্থ্যবিভাগৰ প্ৰধান বিষয়া চিভিল চাৰ্জন। প্ৰাথমিক শিক্ষাবিভাগৰ প্ৰধান বিষয়া ডিপুটি-ইনিস্পেক্টৰ ইত্যাদি।

জিলাবিলাকৰ শাসনৰ সুবিধাৰ কাৰণে আসামৰ প্ৰতিখন জিলা এটা, দুটা বা তিনিটা মহকুমাত ভগোৱা হৈছে। মহকুমাই প্ৰতি একোজন মহকুমা অধিপতি থাকে। তেখেত ডেপুটী কমিছনাৰৰ তলত। মহকুমা অধিপতিৰ তলত একষ্ট্ৰা এচিষ্টেণ্ট কমিছনাৰ আৰু চব ডেপুটী কলেক্টৰ নামে দুই শ্ৰেণীৰ বিষয়া আছে। আগৰ শ্ৰেণী বিষয়াই বিচাৰ কৰে আৰু পাচৰ শ্ৰেণীয়ে মাটিৰ খাজানা ঠিকমতে তোলায় আৰু মাটি বিষয়ৰ সকলো বিবাদ ভাঙি দিয়ে।

১৩। স্থানীয় স্বায়ত্ত-শাসন

স্থানীয় স্বায়ত্ত-শাসন বুলিলে আমাৰ আসামত মিউনিচি-পেলিটি আৰু লোকেলবৰ্ডকে বুজায়। এই বৰ্ডবিলাক খোলা হৈছে সাধাৰণ মানুহৰ নিজা শাসন কৰা ক্ষমতা বঢ়াবলৈ।

মিউনিচিপেলিটি:—আসামৰ নগৰবিলাকত মিউনিচিপেলিটি বৰ্ড আছে। সভাৰ কাম চৰকাৰে চায়। এই সভাৰ মুখ্য কাম হৈছে নগৰৰ বাট-পদূলিত চাকি দিয়া আৰু সেইবিলাক মেৰামত কৰা, মৰিশালি ৰখা, খোৱা পানীৰ যোগাৰ কৰা, দাতব্য চিকিৎসালয় ৰখা, প্ৰাথমিক পঢ়াশালি পতা ইত্যাদি। মিউ-নিচিপেলটিয়ে খৰচৰ কাৰণে নগৰৰ মানুহৰপৰা কৰ তোলে। তলত দিয়া বিষয়ত মিউনিচিপেলটিয়ে কৰ বহুৱায়; যেনে:—(১) নগৰৰ বাট-ঘাটৰ দলঙৰ ওপৰত কৰ, (২) ঘৰৰ ওপৰত কৰ, (৩) বেহা-বেপাৰ আৰু আমোদৰ ওপৰত কৰ, (৪) পানী দিয়া, চাকি দিয়া আৰু ময়লা নিয়া বাবে কৰ, ইত্যাদি।

লোকেলবৰ্ড:—আসামৰ মহকুমাইপ্ৰতি একোখন লোকেল-বৰ্ড আছে। লোকেল বৰ্ড এখন গাঁৱলীয়া ৰাইজে ভোট দি বাছি দিয়া আৰু চৰকাৰেও মনোনয় কৰা মানুহৰ সভা। ইয়াৰ মুখ্য কাম হৈছে গাঁৱলীয়া মানুহৰ অভাৱ-অভিযোগ দূৰ কৰা যেনে:—,ভাল বাট-পথৰ ব্যৱস্থা, ভাল পানীৰ যোগান, প্ৰাথ-

মিক শিক্ষাৰ ব্যৱস্থা ইত্যাদি। মাটিৰ খাজনাৰ লগত বেছিকৈ লোৱা স্থানীয় কৰ, যান-বাহনৰ কৰ, ব্যৱসায় আদিৰ ওপৰত বহুৱা কৰ আদিয়েই এই সভাৰ ধনৰ পুঁজি হয়।

ইউনিয়ন বৰ্ড গাঁওবিলাকত থাকে। ইয়ো এখন সৰু সভা। ইয়াৰ আয় কম। এই সভাই সৰু-সুৰা গোচৰ লব পাৰে আৰু পঁচিশ টকালৈকে জৰিমনা কৰিব পাৰে। আমাৰ ইয়াৰ গাঁওবিলাকত ঠায়ে ঠায়ে গোচৰ সুধিবলৈ ভিলেজ.অথৰিটি নামে এখন গাঁৱলীয়া মানুহৰ সভা পাতি দিয়া হৈছে।

সমাপ্ত

CURZON HALL LIBRARY
15 NOV. 1941
GAUHATI